**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 21-09-2026**
**Time :  21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ ৰাজ্যৰ বিভিন্ন ঠাইত উলহ-মালহেৰে পালন কৰা হৈছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত দিনযোৰা কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়। পুৱাৰ ভাগত ভাগৱত শোভাযাত্ৰা সম্পন্ন হোৱাৰ পাছতে সত্ৰাধিকাৰ পিতাম্বৰ ভকতে ভাগৱত পাঠ কৰে। বিয়লি মহিলাৰ ঠিয়নাম আৰু সন্ধিয়া বন্তি প্ৰজলনেৰে আজিৰ কাৰ্যসূচীৰ সামৰণি পৰে। বজালীৰ পুঠিমাৰী আৰু বামাখাটাতো শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হয়। পুব হস্তিনাপুৰ জন্মোৎসৱ উদযাপন সমিতিৰ উদ্যোগত আৰু পুঠিমাৰী ঘাঠাৰতাৰী গঞাঁ ৰাইজৰ সহযোগত ঘাঠাৰতালী নামঘৰ প্ৰাঙ্গনত ৩ দিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱৰ আয়োজন কৰা হয়। বামাখাটা কীৰ্তন ঘৰৰ প্ৰাঙ্গনতো ২ দিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়।

সত্ৰপীঠ মাজুলীৰ সত্ৰ, নামঘৰসমূহৰ লগতে আঞ্চলিক ধৰ্মালোচনা সভাসমূহৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ সন্মোৎসৱ পালন কৰা  হয়।

০০০০

নগাওঁ লোকসভা সমষ্টিৰ উপ নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দি নথকা অৱস্থাত চামগুৰি বিধানসভা সমষ্টিত নিৰ্বাচনকেন্দ্ৰীক সংঘাতৰ সূত্ৰপাত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। কালি নিশা অচিনাক্ত ব্যক্তিয়ে কংগ্ৰেছ দলৰ নিৰ্বাচনী প্ৰচাৰ সভাস্থলীত অগ্নিসংযোগ কৰাৰ পাছত আজি বৰমাত কংগ্ৰেছ আৰু বিজেপি দলৰ কৰ্মীসকলে সংঘৰ্ষত লিপ্ত হয়। সভালৈ যোৱা জ্যেষ্ঠ কংগ্ৰেছ নেতা ভূপেশ বাঘেল, সাংসদ ৰকিবুল হুছেইন, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে কংগ্ৰেছ নেতা ৰাজেদ আলি চৌধুৰীক একাংশ লোকে কলা পতাকা প্ৰদৰ্শন কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠিচালনা কৰে। ঘটনা সন্দৰ্ভত আজি সন্ধিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈসহ বহু সংখ্যক কংগ্ৰেছ নেতাকৰ্মীয়ে নগাওঁ সদৰ আৰক্ষী থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে লিখিত অভিযোগ দাখিল কৰে।

০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়াৰ ৯৬ বছৰীয়া মুক্তি যুজাৰু তথা অৱসৰপ্ৰাপ্ত শিক্ষক ফণীধৰ গগৈৰ বাসগৃহত আজি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য উপস্থিত হয়। ৰাজ্যপালগৰাকীয়ে তেওঁক **ৰাজ্যপাল অসম জ্যেষ্ঠ নাগৰিক সন্মান** প্ৰদান কৰে। দেশৰ স্বাধীনতা সংগ্ৰামত আগবঢ়োৱা অৱদান আৰু শিক্ষকতাৰে সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে ৰাজ্যপাল গৰাকীয়ে শ্ৰীগগৈক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাজ্যপাল শ্ৰীআচাৰ্য্যই কয় যে ৯৬ বছৰীয়া জীৱন যাত্ৰাত ফণিধৰ গগৈৰ অভিজ্ঞতা, ত্যাগ, সংস্কাৰ, আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা অমূল্য সম্পদ। জ্যেষ্ঠ নাগৰিকসকল পথ প্ৰদৰ্শক আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণৰ উৎস বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ওদালগুৰি জিলাৰ টংলাৰ ছহিদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অধিগমৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অধিগম গুৰু সন্মান ২০২৬ শীৰ্ষক এটা অনুষ্ঠানৰ আজি আয়োজন কৰা হয়। বিটিচিৰ ৩৬ নম্বৰ খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা টংলা পৌৰ সভাৰ পৌৰপতি অৰ্জুন দৈমাৰীয়ে বন্তি প্ৰজলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। এই অনুষ্ঠানতে মৌগাওঁ মিলন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক শম্ভুৰাম ৰাভাক নিষ্ঠাবান শিক্ষক সন্মান, টংলা ইংলিচ মিডিয়াম হাইস্কুলৰ অধ্যক্ষ তপন ভট্টাচাৰ্য্যক প্ৰেৰণাদায়ী শিক্ষক সন্মান, অসম জাতীয় বিদ্যালয় টংলাৰ শিক্ষক জ্যোতিষ চন্দ্ৰ চৌধুৰীক সমাজমুখী শিক্ষাবিদ সন্মান প্ৰদান কৰা হয়।  লগতে গৰুৱাজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ভাগ্য দেৱী আৰু  নাচন শালেৰ নৈপৰীয়া হাইস্কুলৰ প্ৰধান শিক্ষক অতুল শইকীয়াক শিক্ষাক্ষেত্ৰলৈ জীৱনজোৰা অৱদান সন্মান প্ৰদান কৰা হয়।

০০০০

বিশ্বনাথ জিলা আয়ুক্ত কৰবি শইকীয়া কৰণে আজি আৰক্ষী অধীক্ষক আছিফ আহমেদৰ সৈতে বিশ্বনাথ জিলা কাৰাগাৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত জিলা আয়ুক্তগৰাকীয়ে কাৰাগাৰৰ বিষয়া, আৰু কয়েদিসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কাৰাগাৰৰ আন্তঃগাথনি, নিৰাপত্তা ব্যৱস্থা আৰু অন্যান্য সা সুবিধাসমূহৰো বুজ লয়। লগতে কাৰাগাৰৰ সুৰক্ষা, পৰিস্কাৰ পৰিচ্ছন্নতা আৰু সামগ্ৰিক উন্নয়ন অধিক ত্বৰান্বিত কৰাৰ বাবে কাৰাগাৰ কৰ্তৃপক্ষক পৰামৰ্শ আগবঢ়ায়।

০০০০

নিচামুক্ত ভাৰত সংকল্পৰ অধীনত নিচামুক্ত অসমৰ দিশে শক্তিশালী পদক্ষেপৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় জিলা পুথিভঁড়ালত আজি নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে এলানি সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভড়ালৰ পৰা চৌকিদিঙি খেলপথাৰলৈ পদযাত্ৰা কৰা হয়। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, মন্ত্ৰী ৰামেশ্বৰ টেলী, সাংসদ তেৰশ গোৱালা, বিধায়ক চক্ৰধৰ গগৈ আদি উপস্থিত থাকে।

০০০০

গোৱালপাৰা জিলাৰ গাৰিৰপাৰ গাঁৱৰ গাৰোকাটা বিলত আজি বিয়লি মাছ ধৰিবলৈ গৈ ৩ টা শিশুৰ মৃত্যু হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, পৰিয়ালৰ জ্যেষ্ঠ সকলে মাছ ধৰি থকা সময়ত ৪ টা শিশুৰে খেলি থকা অৱস্থাত ৩ টা শিশু দ খাৱৈত পৰে। তিনিওটা শিশুক স্থানীয় ৰাইজে উদ্ধাৰ কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী পাতকীজুলি মাইনাও ক্লাৱ ষ্টেডিয়ামত আজিৰে পৰা ৩৩ সংখ্যক বড়োলেণ্ড ছহিদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে আজি প্ৰথমখন খেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰি প্ৰতিযোগিতাৰ শুভাৰম্ভণি কৰে। বিটিচিৰ কাৰ্যবাহী সদস্য আগস্তিক টিগা, তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। আজিৰ খেলত তামুলপুৰ এফ চিয়ে বাক্সা একাদং দুমনি এফ চিক ২-১ ৰ ব্যৱধানত পৰাস্ত কৰে। অহা ১১ অক্টোবৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০

সমাপ্ত